আইনী সাক্ষৰতা শৃংখলা-৬

# আশাৰ ৰেঙণি

## ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫




সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী
গুৱাহাটী - ৭৮১০০১


No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To
The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

Encl:
As stated above.

# আশাৰ ৰেঙণি

## ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫

### আইনী সাক্ষৰতা শৃংখলা-৬

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Ashar Rengoni (Asha Ki Kiron) :** This book is based on legal awareness for the neoliterates on Domestic Violence Act 2005. This book is prepared by National Literacy Mission Authority and Department of Justice, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

মূল পুথি : আশা কী কিৰণ

পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল : নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী দীপাংকৰ দাস, সুস্নাতা গোস্বামী

ভাৰত চৰকাৰৰ ন্যায় বিভাগ বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল : ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া
গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম

প্ৰথম প্ৰকাশ : মাৰ্চ ২০১৬ (১০০০)

প্ৰকাশক : ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড, আমবাৰী, গুৱাহাটী-৭৮১ ০০১

সম্পাদনা : অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা

মুদ্ৰক : শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম ( নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# আশাৰ ৰেঙণি

মায়াই নিজৰ সৰু ছোৱালী সীমাক স্কুললৈ যাবলৈ কাপোৰ-কানি পিন্ধাই আছিল। সীমাই স্কুলৰ ফীজৰ বাবে মাকৰ পৰা পইচা খুজিলে। মায়াই গিৰীয়েকক মাচুলৰ কথাটো ক'লে। মায়াৰ কথা শুনি খঙতে গিৰীয়েকে জোৰে জোৰে গালি পাৰিবলৈ ধৰিলে। তেওঁ ক'লে যে মায়াই পঢ়ি শুনি একো কৰিব নালাগে, তেওঁ পইচা দিব নোৱাৰে, তাই ঘৰৰ কাম কাজ শিকিলেই হ'ব। মোৰ লগত পইচা নাই, অদৰকাৰী কথাত মই পইচা খৰচ কৰিব নোৱাৰোঁ। যা, মোৰ বাবে জলপান আন।

দুদিনমান পাছত ঘৰৰ খৰচৰ বাবে মায়াই গিৰীয়েকক আকৌ পইচা খুজিলে। এইবাৰো গিৰীয়েকে গালি-শপনি পাৰিবলৈ ধৰিলে। তেওঁ ক'লে যে সদায় কিমান পইচা খৰচ কৰ? মাৰ বাপেৰে মোক টকাৰ



গছ দিয়া নাই নহয়, যে সদায় তোক ছিঙি আনি টকা দিম। তাৰোপৰি মায়াৰ মাক-বাপেকক কঙাল বুলিও সি গালি শপনি পাৰিবলৈ ধৰিলে।

এইদৰে সৰু সৰু প্ৰয়োজনৰ বাবে মায়াই সদায় গিৰীয়েকৰ ওচৰত হাত পাতিব লাগে আৰু গালি শপনি শুনিবলগীয়া হয়। গিৰীয়েকে সদায় তাইক অপমান কৰি টান কথা শুনোৱাৰ উপৰিও মায়াৰ মাক-বাপেককো গালি পাৰি থাকে।

এনেদৰে চলি থাকি, এদিন সীমা চেৰাই গ'ল। এদিন মায়াৰ গিৰীয়েকে ৰাতি মদ খাই ঘৰ সোমালহি। মায়াই ভাত বাঢ়ি দিওতে বেয়া খাদ্য দিয়া বুলি গালৈ থালখন দলি মাৰি পঠিয়ালে। গোটেই খাদ্য বস্তু মায়াৰ গাত পৰাৰ উপৰিও ভাতৰ থালখন মূৰত লাগি তেজ ওলাবলৈ ধৰিলে। ইমানতো ক্ষান্ত নাথাকি মায়াৰ গিৰীয়েকে তাইক চুলিত ধৰি, চৰ-ভুকুৰে মৰিয়াই মৰিয়াই ঘৰৰ বাহিৰ উলিয়াই দিলে।

মায়াই দুৱাৰৰ বাহিৰৰ পৰা কাকুতি-মিনতি কৰি দুৱাৰ খুলি দিবলৈ ক'লে, গিৰীয়েকে কিন্তু দুৱাৰ খুলি নিদিলে, ওলোটাই তাইক ঘৰ এৰি গুচি যাবলৈহে ক'লে। মায়াক এই অৱস্থাত দেখি চুবুৰীয়া গীতাই তাইক নিজৰ ঘৰলৈ লৈ গ'ল। গীতাই মূৰত বেণ্ডেজ আদি বান্ধি দি শুধিলে "তুমি গোটেই জীৱন এইদৰে সহ্য কৰি

থাকিবানে?” মায়াই তেতিয়া ক’লে — মোৰ জীৱনত এই টোৱেই লিখা আছিল। মই গোটেই দিন কাম কৰি থাকিলেও তেওঁ মোক তেওঁৰ গোলাম বুলিহে ভাবে। তেওঁৰ বাবে ৰন্ধা-বঢ়া, ঢোৰা-পখলা, ল’ৰা-ছোৱালীক স্কুললৈ



পঠোৱা, তেওঁৰ আলপৈচান ধৰা আদিয়েই মোৰ কাম। গীতাই মায়াক ক’লে যে এইটোৱেই জীৱন নহয়, তুমি এইদৰে সহ্য কৰি থাকিব নালাগে। কালি মই অংগনবাড়ীৰ মিটিঙলৈ গৈছিলোঁ, তালৈ ন্যায় বিভাগৰ এগৰাকী বাইদেউ আহিছিল। তেওঁ কৈছে যে মহিলাৰ বাবে এখন আইন আছে। আইনখন হৈছে ঘৰুৱা “হিংসাৰ পৰা মহিলাসকলৰ সুৰক্ষা অধিনিয়ম ২০০৫।” আমি এই আইনৰ সহায় ল’ম।

পাছদিনা গীতাই মায়াক এগৰাকী বিষয়াৰ ওচৰলৈ লৈ গ’ল তেওঁ সুৰক্ষা অধিকাৰী ৰূপে জনাজাত। তেওঁ মনোযোগেৰে সকলো শুনিলে। অধিকাৰী মহিলা গৰাকীয়ে মায়াক ক’লে যে, তেওঁৰ দৰে উৎপীড়িত

মহিলাৰ ৰক্ষাৰ বাবে এনে আইন কৰা হৈছে। আমি আপোনাৰ স্বামীক মাতি আনি বুজাম, তেওঁ যদি বুজিবলৈ সন্মত নহয়, তেনেহ'লে, তেওঁৰ ওপৰত আইনী ব্যৱস্থা ল'ব লাগিব। আমি আপোনাক সকলো প্ৰকাৰে সহায় কৰিম। মহিলাগৰাকীয়ে মায়াক এখন প্ৰপত্ৰ দিলে। এই প্ৰপত্ৰখনক ডি.আই.আৰ (ডমেষ্টিক ইঞ্চিডেণ্ট ৰিপোৰ্ট) বুলি কোৱা হয়। এই প্ৰপত্ৰত মহিলাৰ ওপৰত হোৱা হিংসা অত্যাচাৰৰ বিৱৰণ থাকে। পীড়িত মহিলাই নিজৰ ওপৰত হোৱা হিংসাৰ বৰ্ণনা দিব লাগে। তেওঁ যদি নিৰক্ষৰ হয়, তেনেহ'লে সুৰক্ষা অধিকাৰীয়ে প্ৰপত্ৰখন পঢ়ি, তেওঁক বুজাই দিয়ে।



এইদৰে মায়াৰ ডি.আই.আৰ প্ৰপত্ৰখন পূৰাই লৈ গিৰীয়েকক বুজা বুজিৰ বাবে মাতি পঠোৱা হ'ল। এই আইনখনে পৰিয়ালক জোৰা লগাবহে খোজে, ভাঙিব নোখোজে।

## ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা ২০০৫

মহিলাসকলৰ ওপৰত হোৱা পাৰিবাৰিক হিংসা ৰোধ কৰিবলৈ ২০০৫ চনত ঘৰুৱা হিংসাৰ পৰা মহিলাক সুৰক্ষা আইন প্ৰণয়ন কৰা হৈছে। এইখন এখন দেৱানী আইন। এই আইনে পত্নী, মাতৃ, ভগ্নী, কন্যা, অকলশৰীয়া মহিলা আদি ঘৰুৱা হিংসাৰ বলি হ'ব পৰা মহিলাসকলৰ শাৰীৰিক, মানসিক, লিংগ বৈষম্য, আৰ্থিক প্ৰতাৰণা আদি অত্যাচাৰৰ পৰা ৰক্ষা কৰে।



এই আইনৰ মূল-মন্ত্ৰসমূহ এনে ধৰণৰ —

১। এই আইনৰ মতে ঘৰুৱা সম্পৰ্ক থকা কোনো মহিলাক স্বাস্থ্য, সুৰক্ষা, জীৱন আৰু শৰীৰৰ কোনো অংগতে আঘাত কৰাটো বা মানসিকভাৱে তেওঁক প্ৰতাৰিত কৰাটো অপৰাধ।

২। এই আইনৰ মতে যৌতুক বা সম্পত্তিৰ দাবী কৰাটোও অপৰাধ।

৩। মহিলাগৰাকীৰ লগত একেলগে থকা আত্মীয় অৰ্থাৎ



দেউতাক, ককায়েক, শহুৰ, শাহু, দেৱৰ-ননদ আদিয়ে অত্যাচাৰ কৰিলে অপৰাধ বুলি ধৰা হয়।

৪। ঘৰুৱা কাম কাজত বাধা প্ৰদান কৰা, ল'ৰা-ছোৱালী বা মহিলা গৰাকীৰ খৰচৰ বাবদ টকা-পইচা নিদিয়া বা সম্পত্তি বাজেয়াপ্ত কৰাটোও অপৰাধ বুলি ধৰা হয়।

৫। এই আইনৰ অধীনত প্ৰত্যেক জিলাতে সুৰক্ষা অধিকাৰী নিযুক্ত কৰা হয়।

৬। নিৰ্য্যাতিতা মহিলাই সুৰক্ষা অধিকাৰীৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰে। অভিযোগ কৰাৰ তিনি দিনৰ ভিতৰতে মেজিষ্ট্ৰেটে শুনানীৰ তাৰিখ ঠিক কৰে। মোকৰ্দমাৰ মীমাংসাও সোনকালে কৰা হয়।

৭। সুৰক্ষা অধিকাৰীসকলৰ কৰ্তব্য হৈছে —

— নিৰ্য্যাতিতা মহিলাক সহায় কৰা।

— পুলিচৰ সহায় লাগিলে, মহিলা গৰাকীক সহায় কৰা।

১।  পুলিচে হিংসাত জড়িতসকলক বাধা প্ৰদান কৰিব পাৰে।

২।  পুলিচে হিংসাত জড়িত ব্যক্তিক ঘৰলৈ অহাত বাধা প্ৰদান কৰিব পাৰে।

৩।  আৰ্থিক হিংসাৰ বলি মহিলাসকলে শাৰীৰিক, মানসিক আৰু সম্পত্তিৰ ক্ষতিপূৰণ দাবী কৰিব পাৰে। ইয়াৰ বাহিৰেও চিকিৎসাৰ খৰচ আৰু প্ৰতিমাহৰ খৰচো পাব পাৰে।

৪।  ১৮ বছৰৰ কম বয়সৰ ল'ৰা-ছোৱালীক নিজৰ সুৰক্ষাত ৰখাৰ অধিকাৰ পাব।

৫। মহিলাসকলে নিজৰ ঘৰলৈ যোৱাৰ অনুমতি বিচাৰিব পাৰে।

৬। অত্যাচাৰ কৰা মহিলাকো গ্ৰেপ্তাৰ কৰিব পাৰে।

৭। পীড়িত মহিলা আৰু হিংসাত জড়িত ব্যক্তিসকলৰ মাজত বুজাবুজিও কৰাব পাৰিব।

৮। আদালতৰ আদেশ নামানিলে এবছৰ জেল বা ২০,০০০ টকাৰ জৰিমনা অথবা দুয়োটা শাস্তিয়ে হ'ব পাৰে।

## প্ৰপত্ৰ - ১

[ নিয়ম ৫(১), (২) আৰু নিয়ম ১৭(৩) চাব ]

ঘৰুৱা হিংসাৰপৰা মহিলাক সুৰক্ষা অধিনিয়ম, ২০০৫ (২০০৫ৰ ৪৩) ধাৰা ৯ (খ) আৰু ধাৰা ৩৭ (২) (গ)ৰ অধীনত ঘৰুৱা ঘটনাৰ ৰিপোৰ্ট।

১। ব্যথিত ব্যক্তিৰ নাম —

(১) পীড়িত ব্যক্তিৰ নাম —

(২) বয়স —

(৩) একেলগে থকা ঘৰৰ ঠিকনা —

(৪) বৰ্তমানৰ ঠিকনা

(৫) দূৰভাষ নম্বৰ (যদি আছে)

২। প্ৰত্যাৰ্থীৰ পৰিচয় —

| ক্ৰম সংখ্যা | পীড়িত ব্যক্তিৰ লগত সম্বন্ধ | ঠিকনা | দূৰভাষ নং (যদি আছে) |
|---|---|---|---|

৩। পীড়িত ব্যক্তিৰ সন্তানৰ পৰিচয় (যদি আছে)

(ক) সন্তানৰ সংখ্যা —

(খ) সন্তানৰ পৰিচয় —

| নাম | বয়স | লিংগ | বৰ্তমান কাৰ লগত বসবাস কৰিছে। |
|---|---|---|---|

৪। ঘৰুৱা হিংসাৰ ঘটনা

| ক্ৰম সংখ্যা | হিংসাৰ তাৰিখ, স্থান আৰু সময় | ঘৰুৱা হিংসাত জড়িত মানুহজন | ঘটনাৰ প্ৰকাৰ, শাৰীৰিক হিংসা | টোকা |
|---|---|---|---|---|

কেনেধৰণৰ হিংসাত্মক কাম কৰিছে তাৰ বৰ্ণনা কৰিব।

**(ক) লিংগজনিত হিংসা**

**নিৰ্দিষ্ট স্থানত (√) চিহ্ন দিব**

বলপূৰ্বক শাৰীৰিক সম্পৰ্ক।

অশ্লীল সাহিত্য বা অন্য অশ্লীল দৃশ্য চাবলৈ জোৰ কৰা।

অন্য ব্যক্তিৰ মনোৰঞ্জনৰ বাবে ব্যৱহাৰ কৰা।

লিংগ বৈষম্য কৰি অপমানসূচক মন্তব্য কৰা বা বেয়া ব্যৱহাৰ কৰা।

**(খ) মৌখিক আৰু ভাৱনাত্মক বেয়া ব্যৱহাৰ**

চৰিত্ৰ বা আচৰণত কলংক সনা বা অভিযোগ কৰা।

যৌতুক ননাৰ বাবে অপমান কৰা।

ল'ৰা সন্তান নোহোৱাৰ বাবে অপমান কৰা।

সন্তান নোহোৱাৰ বাবে অপমান কৰা।

অপমানজনক বা ক্ষতিকাৰক কথা শুনোৱা।

ঠাট্টা-মস্কৰা কৰা।

বিদ্যালয়, মহাবিদ্যালয় আদি শৈক্ষিক স্থানলৈ যোৱাত বাধা দিয়া।

আপোনাক ঘৰৰ বাহিৰলৈ আৰু চাকৰি কৰিবলৈ যোৱাত বাধা প্ৰদান কৰা।

কোনো বিশিষ্ট ব্যক্তিক লগ ধৰাত বাধা দিয়া।

নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিবাহ দিয়া।

নিজৰ পচন্দৰ লোকৰ সৈতে বিবাহ হোৱাত বাধা দিয়া।

অন্যৰ পচন্দমতে বিবাহ কৰাবলৈ জোৰ কৰা।

ইয়াৰ বাহিৰেও অন্য মৌখিক বা ভাৱনাত্মক বেয়া ব্যৱহাৰ কৰা।

**(গ) আৰ্থিক বল প্ৰয়োগ**

আপোনাক বা আপোনাৰ সন্তানক ভৰণপোষণৰ বাবে টকা-পইচা নিদিয়া।

আপোনাক বা সন্তানক খাদ্য, কাপোৰ বা ঔষধ-পাতি নিদিয়া।

ঘৰৰ বাহিৰত থাকিবলৈ বাধ্য কৰোৱা।

আপোনাক ঘৰৰ ভিতৰলৈ সোমোৱাত ঘৰৰ সম্পদ ব্যৱহাৰ কৰিবলৈ বাধা প্ৰদান কৰা।

আপোনাৰ চাকৰিত বাধা আৰোপ কৰা।

চাকৰি কৰাৰ অনুমতি নিদিয়া।

ঘৰৰ ভাড়া নিদিয়া।

ঘৰত থকা কাপোৰ বা অন্যান্য বস্তু ব্যৱহাৰ কৰিবলৈ নিদিয়া।

আপোনাক নোসোধাকৈ স্ত্ৰী ধন বা অন্য মূল্যবান বস্তু বিক্ৰী কৰি দিয়া

আপোনাৰ বেতন বা মজদুৰী জোৰকৈ লৈ লোৱা।

বিজুলী আদিৰ বিল পৰিশোধ নকৰা।

**(ঘ) যৌতুক সম্বন্ধীয় উৎপীড়ন**

যৌতুকৰ বাবে কৰা দাবীসমূহ নিৰ্দিষ্ট কৰিব

যৌতুক সম্বন্ধে অন্যান্য বৰ্ণনা থাকিলে নিৰ্দিষ্ট কৰিব।

যৌতুকৰ দাবী, স্ত্ৰী ধন আদিৰ বৰ্ণনা প্ৰপত্ৰৰ লগত দিব।

হয় —

নহয় —

**(ঙ) আপোনাৰ বা আপোনাৰ সন্তানৰ ঘৰুৱা হিংসাৰ সম্বন্ধে অন্য কিছুমান তথ্য**

৫। সংলগ্ন দস্তাবেজৰ তালিকা :

| দস্তাবেজৰ নাম | তাৰিখ | অন্য কোনো পৰিচয়। |
|---|---|---|
| চিকিৎসা বিধিগত প্ৰমাণ পত্ৰ | | |

| | |
|---|---|
| | চিকিৎসা প্ৰমাণ পত্ৰ বা অন্য প্ৰণালী |
| | স্ত্ৰীধনৰ তালিকা |
| | অন্য কোনো দস্তাবেজ। |
| ৬। | ঘৰুৱা হিংসাৰ পৰা মহিলা সংৰক্ষণ ২০০৫ৰ অধীনত আপোনাক আৱশ্যক হোৱা আদেশসমূহ |
| | ক্ৰম সংখ্যা — আদেশ — হয় / নহয় — অন্যান্য কোনো |
| | ১। ধাৰা ১৮ ৰ অধীনত সংৰক্ষণ আদেশ |
| | ২। ধাৰা ১৯ ৰ অধীনত নিবাস আদেশ |
| | ৩। ধাৰা ২০ ৰ অধীনত ভৰণ পোষণৰ আদেশ |
| | ৪। ধাৰা ২১ ৰ অধীনত অভিৰক্ষা আদেশ |
| | ৫। ধাৰা ২২ ৰ অধীনত প্ৰতিকাৰৰ আদেশ |
| | ৬। অন্য কোনো আদেশ (নিৰ্দিষ্ট কৰিব)। |
| ৭। | আৱশ্যকীয় সহায় |
| | ক্ৰম সংখ্যা (১) — উপলব্ধ সহায়তা (২) — হয় / নহয় (৩) — সহায়ৰ ধৰণ (৪) |
| | ১। পৰামৰ্শদাতা। |
| | ২। পুলিচৰ সহায়। |
| | ৩। দাণ্ডিক কাৰ্য্যবাহিকা আৰম্ভ কৰিবলৈ সহায়। |
| | ৪। আশ্ৰয় গৃহ। |
| | ৫। চিকিৎসা সুবিধা। |
| | ৬। বিধিগত সহায়। |

৮। কোনো ঘৰুৱা ঘটনাৰ ৰিপোৰ্ট পঞ্জীয়ন কৰোতে সহায় কৰা পুলিচ বিষয়ালৈ অনুদেশ —

ভাৰতীয় দণ্ডবিধি আইন অনুসৰি পুলিচ বিষয়াজনে —

(ক) পীড়িত ব্যক্তিগৰাকীক দণ্ডবিধি আইন, ১৯৭৩ (১৯৭৪ ৰ ২) ৰ অধীনত এফ, আই, আৰ লিখাবলৈ কৈ দাণ্ডিক কাৰ্য্যবাহী আৰম্ভ কৰিব।

(খ) যদি পীড়িত ব্যক্তিয়ে দাণ্ডিক কাৰ্য্যবাহী কৰিব নোখোজে, তেন্তে তেওঁৰ কথামতে এফ, আই, আৰ পঞ্জীয়ন কৰাৰ আগতে ভালদৰে ঘটনাটো চালি জাৰি চাব।

(গ) কোনো ব্যক্তিয়ে শাৰীৰিক ক্ষতিৰ সম্ভেদ দিলে, লগে লগে চিকিৎসকৰ ওচৰলৈ নি পৰীক্ষা নিৰীক্ষা কৰাব।

স্থান : (অভিযোজন অধিকাৰীৰ হস্তাক্ষৰ)

তাৰিখ : নাম :

ঠিকনা :

নিম্নলিখিত সকলক জনোৱা হৈছে।

১। স্থানীয় পুলিচ থানা

২। অভিযোজন অধিকাৰী / সেৱা প্ৰদাতা।

৩। পীড়িত ব্যক্তি

৪। মেজিষ্ট্ৰেট।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)
২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)
৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)
৪) শালীনতাৰ মৰ্য্যদা (আইনী সাক্ষৰতা শৃংখলা-৪)
৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)
৬) আশাৰ ৰেঙণি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)
৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)
৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)
৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)
১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানৱ সৰবৰাহ আইন ১৯৫৬)
১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat


**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in